**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-02-2026
**Time :** 12.05 Hrs

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ পূৰ্বে মৰাণত ভাৰতীয় বায়ুসেনাৰ জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণ।

২। মাজুলী বিধানসভা সমষ্টিত আজি কেইবাটাও প্ৰকল্পৰ উদ্বোধন।

৩। কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাৰ আহ্বানমৰ্মে আজি দেশজুৰি ৰূপায়ণ হোৱা সাধাৰণ ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ। ***আৰু***

৪। ৰাজ্যিক কৰ্মচাৰীয়ে ১ মাৰ্চৰ পৰা ৩১ মে'লৈ কোনো ধৰণৰ ছুটি নাপাব বুলি চৰকাৰৰ নিৰ্দেশনা।

***00000***

কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী পৰহিলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে অহা শনিবাৰে জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাৱে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। ইয়াৰ পূৰ্বে তেওঁ প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। এই পৰীক্ষামূলক উৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণৰ প্ৰস্তুতিৰ অংশ হিচাপে কালি ডিব্ৰুগড়ৰ মৰাণত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমানে উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণ সম্পন্ন কৰে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কালি ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণৰ কৌশল প্ৰদৰ্শন কৰে।

প্ৰধানমন্ত্ৰী মৰাণৰ পৰা গুৱাহাটীলৈ আহিব। গুৱাহাটীত তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুখন মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব। ০০০০

০০০০

মাজুলী বিধানসভা সমষ্টিত আজি কেইবাটাও প্ৰকল্প শুভাৰম্ভ কৰাৰ লগতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্ম-সহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ বীজ মূলধন বিতৰণ কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী যোগেন মহন আৰু মাজুলীৰ বিধায়ক ভূৱন গাম উপস্থিত থাকে। জিলাখনৰ গড়মূৰৰ মাণিকা পথাৰত দিনৰ ১১ বজাত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। এহেজাৰ ১৯ কোটি টকা ব্যয়েৰে এই নিৰ্মাণ সম্পূৰ্ণ কৰা হ'ব। তেওঁ ৩৮২ কোটি টকা ব্যয়সাপেক্ষ মাজুলী-যোৰহাট দলং সংযোগী ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। অসম মালাৰ অধীনত ৬৯৫ কোটি টকা ব্যয়েৰে নিৰ্মিত চাৰিলেনযুক্ত দুখন পকী দলং আৰু বালিচাপৰি-বঙালমৰা সংযোগী পথো তেওঁ মুকলি কৰে। তদুপৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰী নিবাস, চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়, দক্ষিণপাট সত্ৰ সংগ্ৰহালয় আৰু জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পও মুখ্যমন্ত্ৰীয়ে মুকলি কৰে। দুহেজাৰ ২১৮ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্পসমূহ নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে আত্মসহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাক ১০ হাজাৰ টকাকৈ প্ৰদান কৰে।

০০০০

কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাৰ আহ্বানমৰ্মে আজি দেশজুৰি ৰূপায়ণ হোৱা সাধাৰণ ধৰ্মঘট কাৰ্যসূচীৰ পৰিপ্ৰেক্ষিতত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠানসমূহ বন্ধ থকা পৰিলক্ষিত হৈছে। দেশজুৰি বেংক-বীমা, ডাক সেৱা, মহাগাণনিক বিভাগ, আয়কৰ, বি এছ এন এল, বিভিন্ন ৰাজ্যিক কৰ্মচাৰী সংগঠন, তেল, কয়লা, ৰাজহুৱা কৰ্মচাৰী সংগঠন আদিৰ শ্ৰমিক-কৰ্মচাৰীসকলে শ্ৰম-সংহিতা প্ৰত্যাহাৰৰ দাবীত এই ধৰ্মঘটৰ আহ্বান জনাইছে। অসমৰ মটৰ পৰিবহণ শ্ৰমিক সংগঠনে কেইবাটাও দাবীৰে এই ধৰ্মঘটৰ প্ৰতি সমৰ্থন জনাই ২৪ ঘণ্টাজোৰা চকা বন্ধ ঘোষণা কৰিছে। গুৱাহাটী মহানগৰীতো এই ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ পৰিলক্ষিত হৈছে। মহানগৰীত পুৱাৰ ভাগৰ পৰা চিটি বাছৰ চলাচল বন্ধ আছে। খানাপাৰাৰ পৰা বিভিন্ন স্থানলৈ যাবলগীয়া দূৰণিবটীয়া গাড়ী চলাচলো বন্ধ আছে। ঠায়ে ঠায়ে টেক্সি সেৱাও ব্যাহত হৈছে। অৱশ্যে অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনত চিটিবাছসমূহ চলাচল কৰি আছে। বন্ধৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হোৱা দেখা গৈছে। গোৱালপাৰা জিলাতো ধৰ্মঘটৰ প্ৰভাৱ পৰিছে। জিলাখনৰ মাজেৰে যোৱা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে বিভিন্ন স্থানত যান বাহনৰ চলাচল সেৰেঙা হৈছে। ০০০০

০০০০

কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাৰ আহ্বান মৰ্মে দেশজুৰি ৰূপায়ন হোৱা সাধাৰণ ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰত হ'বলগীয়া লোক সংগীতৰ অডিচন অথবা কণ্ঠ পৰীক্ষা স্থগিত ৰখা হৈছে। এই পৰীক্ষাৰ পৰৱৰ্তী তাৰিখ পাছত ঘোষণা কৰা হ'ব বুলি সংগীত বিভাগে জনাইছে।

০০০০

যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত ৩৬ সংখ্যক বাৰ্ষিক উদ্যান শস্য প্ৰদৰ্শনী তথা প্ৰতিযোগিতা আৰু মহিলা কৃষক উদ্যমী মহোৎসৱৰ আজি সামৰণি পৰিব। অসম কৃষি বিশ্ববিদ্যালয়ৰ সামুহিক বিজ্ঞান মহাবিদ্যালয়ত চলি থকা সৰ্বভাৰতীয় সমন্বিত কৃষিজীৱী মহিলা গৱেষণা প্ৰকল্পৰ অধীনত এই কাৰ্যসূচী

ৰূপায়ণ কৰা হৈছে। ৰাষ্ট্ৰসংঘই চলিত বছৰটো মহিলা কৃষকৰ বৰ্ষ হিচাপে কৰা ঘোষণামৰ্মে মহিলা কৃষক মহোৎসৱৰ কাৰ্যসূচী লোৱা হৈছে। কৃষি কাৰ্যৰ সৈতে জড়িত মহিলাসকলৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত ভূমিকা সম্পৰ্কে সজাগ কৰাৰ লগতে লিংগ বৈষম্য দূৰীকৰণ আৰু সম বিকাশৰ লক্ষ্যৰে এই কাৰ্যসূচী লোৱা হৈছে বুলি সামুহিক বিজ্ঞান মহাবিদ্যালয়ৰ সম্প্ৰসাৰণ আৰু যোগাযোগ ব্যৱস্থাপনা বিভাগৰ মুৰববী অধ্যাপক ড° ময়ুৰী বৰাই প্ৰকাশ কৰে।

বাইট

০০০০

বাংলাদেশত কটকটীয়া নিৰাপত্তাৰ মাজত সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছে। দেশখনৰ ৪২ হাজাৰ ৭৭৯ টা ভোটগ্ৰহণ কেন্দ্ৰত বিয়লি চাৰে চাৰি বজালৈ ভোটগ্ৰহণ চলিব। ছেৰপুৰ বিধানসভা সমষ্টিত এগৰাকী প্ৰাৰ্থীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ভোটগ্ৰহণ স্থগিত ৰখা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, এইবাৰৰ নিৰ্বাচনত ১২ কোটি ৭৭ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰিব। প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেখ হাছিনা নেতৃত্বাধীন আবামী লীগক নিৰ্বাচনত অংশ গ্ৰহণ কৰিবলৈ দিয়া হোৱা নাই।

দেশখনত সংসদীয় নিৰ্বাচনৰ লগতে জুলাই ঘোষণা পত্ৰ অনুসৰি সাংবিধানিক আৰু প্ৰতিষ্ঠানগত সংস্কাৰ সন্দৰ্ভত জনমত সংগ্ৰহ কৰা হৈছে। ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে প্ৰায় ৯ লাখ ৫৮ হাজাৰ সুৰক্ষাকৰ্মী নিয়োগ কৰা হৈছে আৰু ৯০ শতাংশৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰত চি চি টিভি যোগে নিৰীক্ষণৰ ব্যৱস্থা কৰা হৈছে। আমাৰ সংবাদদাতাই প্ৰকাশ কৰা মতে, পূৰ্বৰ চৰকাৰক ক্ষমতাচ্যুত কৰা জন আন্দোলনৰ প্ৰায় ১৮ মাহ পাছত হোৱা এই নিৰ্বাচন দেশখনত গণতান্ত্ৰিক ভৱিষ্যতৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ০০০০

০০০০

ৰাজ্যিক কৰ্মচাৰীসকলে ১ মাৰ্চৰ পৰা ৩১ মে'লৈ কোনো ধৰণৰ ছুটি নাপাব বুলি চৰকাৰে কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে এই জৰুৰী নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৪ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ বালাগুল্লা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত শ্ৰীলংকা ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি আমালৈ বাতৰি অহা পৰলৈ ১১ অ'ভাৰত ২টা উইকেট হেৰুৱাই ১১০ ৰাণ সংগ্ৰহ কৰিছে। বিয়লি ৩ বজাত মুম্বাইৰ ৰাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত নেপাল আৰু ইটালি মুখামুখি হ'ব।

প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব।

ooooo

ঃঃ সমাপ্ত ঃঃ